কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


**প্ৰসংগ** : অজাবি/০০৯/০৩/২১
*Ref :*

**তাৰিখ** : ১২-০৪-২০২১
*Date :*

## অসম জাতীয় বিদ্যালয়ত সাহিত্য দিৱস পালন

**গুৱাহাটী, ১২ এপ্ৰিল :** অসম জাতীয় বিদ্যালয়ৰ ৰসৰাজ সাহিত্য চ'ৰাৰ উদ্যোগত আজি বিভিন্ন কাৰ্য্যসূচীৰে 'সাহিত্য দিৱস' পালন কৰা হয়। বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতেই বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই আদৰণী ভাষণ আগবঢ়ায়। সাহিত্য দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী ৰুণিমা শৰ্মাই। সাহিত্য দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপিকা বিশিষ্ট গল্পকাৰ ড° মৌচুমী কন্দলী। ভাষণ প্ৰসংগত ড° কন্দলীয়ে ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ প্ৰত্যাহ্বানবোৰ গ্ৰহণ কৰি আত্ম উপলব্ধিৰে আগুৱাই যোৱাৰ লগতে পাঠ্যপুথিৰ বাহিৰৰ পৃথিৱীখনক নিৰন্তৰভাৱে অধ্যয়ন কৰিবলৈ আহ্বান জনায়। জীৱনত বিখ্যাত হোৱাটো নহয়, বৰঞ্চ মহৎ হোৱাটোহে মূল কথা বুলি উল্লেখ কৰি ড° কন্দলীয়ে আমাৰ চহকী ঐতিহ্য তথা সভ্যতাক লৈ গৌৰৱান্বিত হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। আজিৰ অনুষ্ঠানতে সাহিত্য দিৱস উপলক্ষে প্ৰকাশিত প্ৰাচী পত্ৰিকা উন্মোচন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি দিয়া ভাষণত শ্ৰীমেধিয়ে জাতিৰ বাবে, ভাষাৰ বাবে সাহিত্য চৰ্চা যে অপৰিহাৰ্য্য সেই কথা অনুধাৱন কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। সাহিত্য দিৱস উপলক্ষে ৰসৰাজ সাহিত্য চ'ৰাৰ উদ্যোগত ৰাজ্যিক ভিত্তিত তিনিটা শাখাত আয়োজিত প্ৰৱন্ধ প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্ব পালন কৰা বিশিষ্ট গল্পকাৰ অপু ভৰদ্বাজ, লেখক ড° ধৰণী লাহন আৰু গল্পকাৰ মণিকা দেৱীয়েও বক্তব্য আগবঢ়ায়। ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ মাজত আয়োজিত 'পৰ্য্যটন আৰু অসম' বিষয়ক প্ৰৱন্ধ প্ৰতিযোগিতাত নীলাচল জাতীয় বিদ্যালয় গুৱাহাটীৰ ৰূপশিখা বৰ্মনে প্ৰথম, অসম জাতীয় বিদ্যালয়ৰ ডঁৰিয়লি ডেকাই দ্বিতীয় আৰু অসম জাতীয় বিদ্যালয়ৰ ৰাগিনী সংস্কৃতি বৰ্মনে তৃতীয় স্থান লাভ কৰে। অষ্টম আৰু নৱম শ্ৰেণীৰ মাজত আয়োজিত 'অসমৰ থলুৱা খাদ্যৰ বিপণন : সাম্প্ৰতিক অৱস্থা আৰু সম্ভাৱনীয়তা' বিষয়ক প্ৰৱন্ধ প্ৰতিযোগিতাত অসম জাতীয় বিদ্যালয়ৰ সাক্ষী প্ৰিয়ম্বদাই প্ৰথম, মাজুলী গোৱালগাঁৱৰ জোনাকী জাতীয় বিদ্যালয়ৰ আশাপ্ৰিয়া কলিতাই দ্বিতীয় আৰু অসম জাতীয় বিদ্যালয়ৰ খ্যাতিতৃষ্ণা দেৱীয়ে তৃতীয় স্থান লাভ কৰে। দশম, একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত 'বিজ্ঞাপন : সমাজ জীৱনত ইয়াৰ প্ৰভাৱ' বিষয়ক প্ৰৱন্ধ প্ৰতিযোগিতাত অসম জাতীয় বিদ্যালয়ৰ ভাৱনা তালুকদাৰে প্ৰথম আৰু গুৱাহাটীৰ মাৰিয়াজ পাব্লিক স্কুলৰ হিয়া শৰ্মাই দ্বিতীয় স্থান লাভ কৰে। দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ শিক্ষক ভাস্কৰজ্যোতি হাউলৈ আৰু শিক্ষাৰ্থী কংকনা শৰ্মাই গীত পৰিৱেশন কৰাৰ লগতে একাংশ শিক্ষাৰ্থীয়ে সমৱেত সংগীত আৰু নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানৰ শেষত বিদ্যালয়ৰ গণিত বিভাগৰ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰীয়ে শলাগৰ শৰাই আগবঢ়ায়। আজিৰ অনুষ্ঠানটিৰ আঁত ধৰে বিদ্যালয়ৰ শিক্ষাৰ্থী ৰিম্পী কলিতা আৰু তন্ময় কাশ্যপে। সমগ্ৰ অনুষ্ঠানটিৰ আহ্বায়ক হিচাপে পৰিচালনাৰ দায়িত্বত আছিল বিদ্যালয়ৰ হিন্দী বিভাগৰ শিক্ষক উৎপল ডেকা। উল্লেখযোগ্য যে অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াই যোৱা বৰেণ্য ব্যক্তিসকলৰ লগতে তেওঁলোকৰ সাহিত্যৰাজিৰ বিষয়ে চৰ্চা কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ১২ এপ্ৰিলত বিদ্যালয়ত সাহিত্য দিৱস পালন কৰা হয়।

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref* : AJB/009/03/21

তাৰিখ :
*Date* : 12-04-2021

## Sahitya Divas at Assam Jatiya Bidyalay

**Guwahati, April 12 :** In memory of the greatest Assamese literary icon, Sahityarathi Lakshminath Bezbarua, Assam Jatiya Bidyalay, Noonmati today celebrated 'Sahitya Divas' in its school campus.

The literary festival began with the garlanding of the portrait of the legend and lighting diya in front of it by Narendra Mohan Goswami, the Academic officer of the school. After the welcome address by the Vice-Principal Aparajita Bora, the significance of the occasion was conveyed to the audience by Runima Sarma, a teacher of the Social Science Department.

An eminent short story writer, a well-known critic of Assamese literature as well as an assistant professor of Tezpur University Dr Mousumi Kandali graced the occasion as the chief guest at the event. Comparing life with the spoon and principles with the marble on it, Dr Kandali dwelt at length on the importance of self realization. Some of the students along with Bhaskar Jyoti Haloi, a teacher of the Assamese department of the school performed some cultural activities. Keeping up the tradition. a wall magazine was prepared by some of the students which was uncovered by the Principal, Mr Ghanashyam Medhi. Addressing to the congregation, he paid tribute to Lakshminath Bezbarua and others who played pivotal role during the crisis period of Assamese literature.

A literary competition on article writing on all Assam basis was organized by the school and on the occasion of the Sahitya Divas today, the winners were awarded. The competition was organized in three levels. In level A, the first position was secured by Rupsikha Barman, Nilachal Jatiya Bidyalay. Followed by Doriyoli Deka and Ragini Sanskriti Barman of Assam Jatiya Bidyalay secured the second and third position respectively. In level B, the first position was secured by Sakshi Priyambada of Assam Jatiya Bidyalay, the second position was secured by Ashapriya Kalita of Jonaki Jatiya Bidyalay, Majuli and the third position was secured by Khyati Trishna Devi of Assam Jatiya Bidyalay. In level C, the first position was secured by Bhabana Talukdar of Assam Jatiya Bidyalay and the second position was secured by Hiya Sarma of Maria's Public School, Guwahati. Monica Devee, an eminent short story writer of Assam, Mr Apu Bharadwaj, a famous short story writer and the co-editor of the literary magazine 'Satsori' and Dr Dharani Lahan, assistant professor in the department of Assamese of Guwahati College had been the judges of the competition. In their brief speech the judges expressed their opinion on the art of article writing and congratulated the participants. The whole programme was anchored by Rimpi Kalita and Tonmoy Kashyap of class IX. The convenor of the programme was Utpal Deka, a teacher of the Hindi department of the school. With the vote of thanks offered by Juthika Patowary, a senior teacher of the department of Mathematics, the programme came to an end.